NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আই চি এ গোলকীয় সমবায় সন্মিলন মুকলি কৰিব।

২। সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ২৬ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৯খন বৈঠক অনুষ্ঠিত হ'ব।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ সদস্যসকলক সংবিধান সভাৰ বিতৰ্ক আৰু আলোচনা সমূহৰ পৰা প্ৰেৰণা লৈ সদনৰ মৰ্যাদা বজাই ৰাখিবলৈ আহ্বান জনাইছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতে ইটালীক ইউৰোপৰ দেশসমূহৰ ভিতৰত অন্যতম মিত্ৰদেশ হিচাপে গণ্য কৰে বুলি মত প্ৰকাশ কৰিছে।

*আৰু*

৫। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ২০২৫ৰ খেলুৱৈ নিলাম প্ৰক্ৰিয়াত ঋষভ পন্ত আৰু শ্ৰেয়াছ্ আয়াৰ, আই পি এলৰ ইতিহাসত ব্যয়বহুল খেলুৱৈ হিচাপে পৰিগণিত হৈছে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত আই চি এ গোলকীয় সমবায় সন্মিলন মুকলি কৰিব। আন্তঃৰাষ্ট্ৰীয় সমবায় জোঁটৰ ১৩০ বছৰীয়া ইতিহাসত প্ৰথমবাৰৰ বাবে গোলকীয় সমবায় সন্মিলন তথা সাধাৰণ সভা ভাৰতত অনুষ্ঠিত হ'ব। এই উপলক্ষে শ্ৰী মোদীয়ে আন্তঃৰাষ্ট্ৰীয় সমবায় বৰ্ষ ২০২৫ৰ সৈতে সংগতি ৰাখি এটা স্মাৰক ষ্টাম্প মুকলি কৰিব। এই অনুষ্ঠানত প্ৰায় ৩ হাজাৰ বিদেশী তথা ভাৰতীয় প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ছদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই সন্মিলনত বিশ্বৰ বিভিন্ন প্ৰান্তৰ সমবায়সমূহ এলানি অনুষ্ঠান তথা আলোচনাৰ উদ্দেশ্যে একত্ৰিত হ'ব। এইবেলি এই সন্মিলনৰ বিষয়বস্তু হৈছে- সমবায়ে সকলোৰে বাবে সমৃদ্ধি কঢ়িয়াই আনে। এই সন্মিলনত সকলোৰে বাবে শান্তিপূৰ্ণ, সৰ্বাত্মক তথা সমৃদ্ধ ভৱিষ্যত সৃষ্টি কৰাৰ ক্ষেত্ৰত সমবায়ৰ ভূমিকা অন্বেষণ কৰা হ'ব। ভূটানৰ প্ৰধানমন্ত্ৰী ডাছ' শ্বাৰিং টবগে, ফিজিৰ উপ-প্ৰধানমন্ত্ৰী মানোৱা কামিকামিকায়ো অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ১৮৯৫ চনত আন্তঃৰাষ্ট্ৰীয় সমবায় জোঁট স্থাপন কৰা হৈছিল।

ooooooo

সংসদৰ শীতকালীন অধিবেশন আজি আৰম্ভ হ'ব। ২৬ দিন ধৰি চলিবলগীয়া এই অধিবেশনত ১৬খন বৈঠক অনুষ্ঠিত হ'ব। অৱশ্যে সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ সংসদৰ কাম-কাজ বন্ধ থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতীয় সংবিধান গ্ৰহণ কৰা কেন্দ্ৰীয় প্ৰেক্ষাগৃহতে সংবিধান দিৱসৰ মূল অনুষ্ঠান অনুষ্ঠিত হ'ব। এই শীতকালীন অধিৱেশন ২০ ডিচেম্বৰত অন্ত পৰিব। অধিবেশনত ভাৰতীয় বায়ুযান বিধেয়ক-২০২৪, দুৰ্যোগ ব্যৱস্থাপনা সংশোধনী বিধেয়ক-২০২৪, ৰে'লৱে সংশোধনী বিধেয়ক, ৱাকফ সংশোধনী বিধেয়ক আৰু ভাৰতীয় বন্দৰ বিধেয়ক-২০২৪ কে ধৰি মুঠ ১৬খন বিধেয়ক উত্থাপন কৰা হ'ব।

দুয়োখন সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াতো সুনিশ্চিত কৰাৰ বাবে কালি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি আৰম্ভ হ'বলগীয়া সংসদৰ শীতকালীন অধিৱেশনত যিকোনো বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু বুলি মন্তব্য কৰিছে। বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে মত বিনিময় কৰি শ্ৰী ৰিজিজুৱে অধিৱেশৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে অব্যাহত থকাতো সুনিশ্চিত কৰিবলৈ বিৰোধী দলসমূহলৈ আহ্বান জনায়। শ্ৰীৰিজিজুৱে কয়, যে বৈঠকত ৩০ টা ৰাজনৈতিক দলৰ ৪২গৰাকী নেতাই অংশগ্ৰহণ কৰে আৰু প্ৰত্যেকেই নিজৰ নিজৰ পৰামৰ্শসমূহ আগবঢ়ায়। চৰকাৰে দুয়োখন সদনতে সঠিক আৰু শান্তিপূৰ্ণ আলোচনা হোৱাটো বিচাৰে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

আনহাতে, কংগ্ৰেছৰ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয়, যে দলটোৱে মণিপুৰৰ পৰিস্থিতি, নিবনুৱা সমস্যা, উত্তৰ-ভাৰতৰ প্ৰদূষণ তথা এগৰাকী উদ্যোগপতিৰ ওপৰত উত্থাপিত অভিযোগ সন্দৰ্ভত আলোচনা কৰাৰ পোষকতা কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰা সৰ্বদলীয় বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, অনুপ্ৰিয়া পাটেল আৰু ড০ এল মুৰুগানৰ লগতে বি জে ডিৰ সাংসদ চচমিত পাত্ৰ, সমাজবাদী দলৰ সাংসদ ৰামগোপাল যাদৱ, এম ডি এম কেৰ সাংসদ বায়কু, কংগ্ৰেছৰ সাংসদ জয়ৰাম ৰমেশকে ধৰি অন্যান্যসকলে অংশগ্ৰহণ কৰে।

0000000

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদৰ সদস্যসকলক সংবিধান সভাৰ বিতৰ্ক আৰু আলোচনা সমূহৰ পৰা প্ৰেৰণা লৈ সদনৰ মৰ্যাদা বজাই ৰাখিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ বাতৰিৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত শ্ৰীবিৰলাই সাংসদসকলে ইতিবাচক আৰু গঠনমূলক আলোচনাত অংশগ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে, সংৰক্ষণৰ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীবিৰলাই কয়, যে ৰাজনৈতিক দলসমূহে এই ক্ষেত্ৰত অভিযোগ প্ৰতিঅভিযোগ তোলে যদিও কোনো চৰকাৰে কেতিয়াও সংৰক্ষণৰ ক্ষেত্ৰত ভেদভাৱ কৰাৰ চেষ্টা কৰা নাই। তেওঁ উল্লেখ কৰে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদায় সমাজৰ পিছপৰা আৰু দৰিদ্ৰ শ্ৰেণীৰ লোকৰ বাবে সংৰক্ষণৰ এতিয়াও প্ৰয়োজন বুলি দৃঢ়তাৰে কয় আহিছে। কাইলৈ হ'বলগীয়া সংবিধান দিৱসৰ পূৰ্বে শ্ৰীবিৰলাই, সংবিধান ভাবুকিৰ সন্মুখীন হৈছে বুলি কিছু সংখ্যকে কৰা দাবী খাৰিজ কৰে। তেওঁ কয়, যে সংবিধান দেশৰ জনসাধাৰণৰ বাবে আৰু সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোকৰে ইয়াৰ ওপৰত আস্থা আছে। তেওঁ লগতে  সংবিধানক ৰাজনীতিৰ সংকীৰ্ণ দৃষ্টিৰে চোৱাতো অনুচিত বুলি মন্তব্য কৰে।

০০০০০০০

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি মহাৰাষ্ট্ৰৰ নাগপুৰৰ অজনী ৰে'লৱে গ্ৰাউণ্ডত সৰ্বভাৰতীয় অনুসুচীত জাতি আৰু জনজাতি ৰে'ল কৰ্মী সংস্থাৰ ৰাষ্ট্ৰীয় সন্মিলনত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে কোভিড-১৯ মহামাৰীৰ বাবে যোৱা ৫ বছৰত সংস্থাৰ ৰাষ্ট্ৰীয় সন্মিলন তথা বাৰ্ষিক বৈঠক আয়োজিত হোৱা নাছিল। সেয়ে, ৰে'ল কৰ্মী সংস্থাই কাইলৈ সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি নাগপুৰত ৰাষ্ট্ৰীয় সন্মিলনৰ বিশাল আয়োজন কৰিছে। সংস্থাৰ দেশজুৰি থকা প্ৰায় ৩০ হাজাৰ সদস্যই সন্মিলনত অংশগ্ৰহণ কৰাৰ কথা।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰতে ইটালীক ইউৰোপৰ দেশসমূহৰ ভিতৰত অন্যতম মিত্ৰদেশ হিচাপে গণ্য কৰে বুলি মত প্ৰকাশ কৰিছে। তেওঁ দেশখনক ভূমধ্যসাগৰীয় অঞ্চলৰ গুৰুত্বপূৰ্ণ দেশ হিচাপেও অভিহিত কৰে। ৰোমত ভাৰতীয় দূতাবাসৰ বিশেষ কাৰ্যালয় মুকলি কৰি ড০ এছ্ জয়শংকৰে কয়, যে দুয়োখন দেশৰ বিভিন্ন স্তৰৰ মাজত সঘনাই হোৱা আলোচনাই দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ গভীৰতা প্ৰতিফলিত কৰিছে। তেওঁ লগতে কয়, যে দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্কৰ বিকাশৰ বাবে নতুন শক্তি, গোলকীয় তথা আঞ্চলিক সমস্যা সমাধানৰ ক্ষেত্ৰত সমন্বয় তথা গোলকীয় দৃষ্টিভংগীৰ মিল আছে। প্ৰস্তাৱিত ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ইউৰোপ আৰু এছিয়াত এই কৰিডৰৰ ইতিবাচক প্ৰভাৱ পৰিলক্ষিত হ'ব।

ড০ জয়শংকৰে তেওঁৰ ইটালী ভ্ৰমণৰ সময়ছোৱাত জি-ছেভেন বিদেশ মন্ত্ৰীসকলৰ বিশেষ বৈঠকত অংশগ্ৰহণ কৰিব। ভাৰতক এই বৈঠকলৈ অতিথি ৰাষ্ট্ৰ হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। তেওঁ লগতে ৰোমত দশম এম ই ডি ভূমধ্যসাগৰীয় আলোচনাতো অংশগ্ৰহণ কৰিব।

০০০০০০০

চৰকাৰে আজি নতুন দিল্লীত অব কোই বাহানা নহী শীৰ্ষক ৰাষ্ট্ৰীয় অভিযান মুকলি কৰিব। এই পদক্ষেপৰ জৰিয়তে জনসাধাৰণ তথা সকলো পক্ষলৈ লিংগ ভিত্তিক হিংসা নাশ কৰাৰ উদ্দেশ্য সক্ৰিয় প্ৰচেষ্টা গ্ৰহণ কৰাৰ বাবে আহ্বান জনোৱা হৈছে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয় আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ যৌথ উদ্যোগত তথা ৰাষ্ট্ৰ সংঘৰ মহিলা কোষৰ সহযোগত এই প্ৰচেষ্টা চলোৱা হৈছে। এই অভিযানৰ অংশ হিচাপে অব কোই বাহানী নহী শীৰ্ষক এখন চলচ্চিত্ৰও মুক্তি দিয়া হ'ব। এই চলচ্চিত্ৰখনৰ জৰিয়তে লিংগ ভিত্তিক হিংসাৰ অন্ত পেলোৱাৰ বাবে নাগৰিকসকলকে ধৰি সকলো পক্ষৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা তথা দায়িত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ পোষকতা কৰা হৈছে। উল্লেখযোগ্য যে আজিৰ দিনটো প্ৰতিবছৰে মহিলাৰ বিৰুদ্ধে হিংসা নাশ কৰাৰ আন্তঃৰাষ্ট্ৰীয় দিৱস হিচাপে সমগ্ৰ বিশ্বজুৰি পালন কৰা হয়।

০০০০০০০

ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ২০২৫ৰ খেলুৱৈ নিলাম প্ৰক্ৰিয়াত কালি ঋষভ পন্ত আৰু শ্ৰেয়াছ্ আয়াৰ আই পি এলৰ ইতিহাসত ব্যয়বহুল খেলুৱৈ হিচাপে পৰিগণিত হৈছে। চৌদি আৰবৰ জেড্ডাহৰ আবাদী আল জোহৰ এৰিনাত অনুষ্ঠিত নিলামৰ প্ৰথম দিনটোত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে উইকেট কীপাৰ তথা বেটাৰ ঋষভ পণ্টক ২৭ কোটি টকাৰে ক্ৰয় কৰি অভিলেখ ৰচে। আনহাতে, পাঞ্জাৱ কিংচে শ্ৰেয়ছ্ আয়াৰক ২৬ কোটি ৭৫ লাখ

টকাৰে ক্রয় কৰে। প্রথম দিনা ৭২ গৰাকী খেলুৱৈৰ নিলাম সম্পন্ন হোৱাৰ বিপৰীতে ডেভিড ৱাৰ্ণাৰ, জনী বেয়াৰষ্ট'কে ধৰি ১২গৰাকী খেলুৱৈ বাকী ৰয়। আজি নিলামৰ দ্বিতীয় তথা অন্তিম দিন।

০০০০০০০

ভাৰতীয় ছুপাৰ লীগ ফুটবলত কেৰালা ব্লাষ্টাৰ্ছ এফ চিয়ে কালি ক'চিৰ জৱাহৰলাল নেহৰু আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত চেন্নাই এফ চি দলক ৩-০ গ'লত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে কেৰালা ব্লাষ্টাৰ্ছৰ ৩খন খেলত হোৱা পৰাজয়ৰ ধাৰাবাহিকতাৰ অন্ত পৰে। দলটোৰ হৈ জেছাজ জিমেনেজে ৫৬ মিনিটত প্ৰথমটো গ'ল কৰে। প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ জি এম চি বালায়োগী এথলেটিক ষ্টেডিয়ামত হায়দৰাবাদ এফ চি আৰু ওড়িশা এফ চি মুখামুখি হ'ব।

০০০০০০০

উত্তৰ প্ৰদেশৰ গ্ৰেটাৰ নয়ডাৰ শ্বহীদ বিজয় সিং পাথিক স্পৰ্চ কমপ্লেক্সত অনুষ্ঠিত প্ৰ' কাবাডী প্ৰতিযোগিতাত পুনেৰী পল্টনে বেংগল ৱাৰিয়ৰ্জক ৫১-৩৪ পইণ্টত পৰাজিত কৰে। এই জয় সুবাদত পুনেৰী পল্টন প্ৰতিযোগিতাৰ তৃতীয় স্থানলৈ উপনীত হয়। আনহাতে, প্ৰতিযোগিতাৰ আন এখন খেলত ইউ পি যুদ্ধাই পাটনা পাইৰেটছক ৪৪-৪২ পইণ্টত পৰাজিত কৰে। আজি নিশা ৮ বজাত হ'বলগীয়া এখন খেলত পুনেৰী পল্টন জয়পুৰ পিংক পেন্থাৰছৰ বিৰুদ্ধে খেলিব।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

সমাপ্ত